# অখিল গগৈৰ বিজ্ঞান চিন্তা

**ক্ষীৰধৰ বৰুৱা**

২০০৯ চনৰ ছেপ্টেম্বৰ-অক্টোবৰ মাহৰ কিছুদিন মই গুৱাহাটীৰ চানমাৰিৰ অলংকাৰ হোটেলত থাকিবলগা হৈছিল। উদ্দেশ্য আছিল ‘হেমকোষ’ৰ সম্পাদক দেৱানন্দ বৰুৱাদেৱৰ অনুৰোধক্ৰমে অভিধানখনৰ বিজ্ঞানৰ শব্দবোৰৰ কিছু সম্পাদনা কৰা আৰু অভিধানখনত বিজ্ঞানৰ কিছু নতুন শব্দ সংযাজন কৰা। হোটেলত পুৱাৰ আহাৰ খাওঁতে দুদিনমান অখিল গগৈক লগ পাই কথা-বতৰা হৈছিলোঁ। সেই সময়ত তেওঁৰ নাম কাকতে-পত্ৰই বৰ ভালকৈ প্ৰচাৰিত হৈছিল।

আমাৰ আলোচনাত মানুহৰ বিজ্ঞান শিক্ষা, বিজ্ঞান সজাগতা, অন্ধবিশ্বাস-কুসংস্কাৰ আৰু বৈজ্ঞানিক মানসিকতা আদি বিষয়ে স্থান পাইছিল। এইবোৰ বিষয়ত তেওঁৰ উচ্চ ধাৰণাৰ বিষয়ে জানি বৰ ভাল পাইছিলোঁ। ৰাইজৰ মাজত বিজ্ঞান জনপ্ৰিয়কৰণ কৰাৰ প্ৰসংগত মই তেওঁক মোৰ কেইটামান অভিজ্ঞতাৰ বিষয়ে কৈছিলোঁ। মোৰ জন্মস্থান জামুগুৰিহাটত এখন ‘বিজ্ঞানৰ গাঁও’ স্থাপন কৰাৰ পৰিকল্পনাৰ বিষয়েও তেওঁক কৈছিলোঁ। মই কৈছিলোঁ — জামুগুৰিহাটৰে এগৰাকী সুসন্তান বিশিষ্ট সাংবাদিক-সাহিত্যিক ৰাধিকা মোহন ভাগৱতীৰ একান্ত ইচ্ছা, ৰাজ্যখনৰ বিজ্ঞান জনপ্ৰিয়কৰণ ক্ষেত্ৰৰ আগৰণুৱা ড° দীনেশ চন্দ্ৰ গোস্বামীৰ পৰিকল্পনা, আৰু স্থানীয় ৰাইজৰ সহযোগত মই সংগঠিত কৰা ‘গ্ৰাম্য জনবিজ্ঞান মঞ্চ’ৰ জৰিয়তে কিদৰে ‘বিজ্ঞান গ্ৰাম’ নামৰ এটা বৃহৎ প্ৰকল্প বাস্তৱায়িত কৰিব খোজা হৈছিল। কিন্তু, স্বাৰ্থান্বেষী ৰাজনৈতিক ব্যক্তিৰ আগ্ৰহহীনতাৰ বাবেই সেই প্ৰকল্পৰ কাৰ্যৰূপায়ণ বাধাগ্ৰস্ত হৈছিল। সেই কথা জানি অখিল অতিশয় আচৰিত হৈছিল আৰু তাৰ বাবে দুখ প্ৰকাশ কৰিছিল।

আমি বৰ্তমান অখিল গগৈক আমাৰ ৰাজ্যখন আৰু জাতিটোৰ স্বাৰ্থত মাত মাতি অহা ব্যক্তি হিচাপে জানো। তেওঁ ২০১৫ চনৰ অক্টোবৰত কাজিৰঙাৰ কঁহৰা চাৰিআলিৰ পৰা দুই কিল'মিটাৰ নিলগত ‘কাজিৰঙা ৰাষ্ট্ৰীয় অৰ্কিড আৰু জীৱবৈচিত্ৰ্য উদ্যান’ (Kaziranga National Orchid and Biodiversity Park) নামেৰে এখন সমবায়ভিত্তিক উদ্যান স্থাপন কৰিছে। দুৰ্গাপুৰ গাঁৱৰ প্ৰায় ওঠৰ বিঘা (৫.৯৫ একৰ) মাটিত অৱস্থিত এই উদ্যানখন দেশ-বিদেশৰ পৰ্যটকসকলৰ আকৰ্ষণৰ থলী। এই উদ্যানত বিভিন্ন প্ৰজাতিৰ অৰ্কিড, উদ্ভিদ, বনৌষধি উদ্ভিদ, প্ৰাণী আদি জীৱবৈচিত্ৰ্যৰ সংৰক্ষণৰ উপৰি স্থানীয় জাতি-জনগোষ্ঠীৰ কলা-কৃষ্টিৰো দৈনিক প্ৰদৰ্শন কৰা হয়। কেইবাজনো বিশিষ্ট ব্যক্তিয়ে উক্ত উদ্যান প্ৰকল্পত অৰিহণা যোগাই অহাৰ কথা আমি গম পাই গৌৰৱবোধ কৰোঁ। উদাহৰণস্বৰূপে, নাৰায়ণপুৰৰ ‘বনতীৰ্থ’ৰ স্ৰষ্টা বিশিষ্ট প্ৰকৃতিবিদ ড° প্ৰবীণ শইকীয়াই ২০টা প্ৰজাতিৰ তুলসী আৰু অন্যান্য বিৰল উদ্ভিদ প্ৰজাতিৰে উদ্যানখন সমৃদ্ধ কৰিছে।

অখিলে বিশ্বনাথ চাৰিআলিত মই স্থাপন কৰা ‘আকাশ বিজ্ঞান আৰু পৰিৱেশ শিক্ষা কেন্দ্ৰ’ নামৰ শিশু বিজ্ঞান প্ৰতিষ্ঠানটোৰ কথা জানিছিল। তেওঁ উদ্যানখন স্থাপন কৰাৰ প্ৰাৰম্ভিক পৰ্যায়ত এদিন মোলৈ ফোন কৰিলে। তেওঁ মোক জনালে যে অৰ্কিড উদ্যানখন চাবলৈ অহা শিশুসকলে খেলিব পৰাকৈ মই মোৰ কেন্দ্ৰত থকা কেইটামান আমোদজনক বিজ্ঞান-খেলাৰ প্ৰদৰ্শনমূলক সঁজুলি নিৰ্মাণ কৰি দিব লাগে। মই তেওঁৰ অনুৰোধ মৰ্মে ‘আকাশ’ৰ সম্পাদক ৰিপুঞ্জয় বৰদলৈৰ সহযোগত পাঁচটা সঁজুলি নিৰ্মাণ কৰাই ২০১৬ চনৰ ১৭ফেব্ৰুৱাৰি তাৰিখে তেওঁৰ অৰ্কিড উদ্যানত স্থাপন কৰাইছিলোঁ। সেই উদ্যানতে অদূৰ ভৱিষ্যতে জীৱবৈচিত্ৰ্য আৰু পৰিস্থিতিতন্ত্ৰৰ গৱেষণামূলক অধ্যয়নৰ বাবেও বিস্তৃত পৰিকল্পনা হাতত লোৱা হ'ব বুলি আমি জানিব পাৰি সুখী হৈছিলোঁ।

পৰৱৰ্তী সময়ত এই কথাখিনি মোৰ পৰা জানিব পাৰি ড° দীনেশ চন্দ্ৰ গোস্বামীয়ে মোক কৈছিল যে অখিল গগৈয়ে তেওঁৰ পৰা ৰাধিকা মোহন ভাগৱতীদেৱৰ বাবে প্ৰস্তুত কৰি দিয়া ‘বিজ্ঞান গ্ৰাম’ প্ৰকল্পৰ বিষয়ে জানিব খুজিছিল। তেওঁ বিচৰাত গোস্বামীয়ে তেওঁলৈ বিজ্ঞান গ্ৰাম প্ৰকল্পৰ কপি এটা ই-মেইল যোগে পঠিয়াই দিছিল। তাৰ কেইবছৰমানৰ পাছত ড° গোস্বামীয়ে অখিল গগৈয়ে স্থাপন কৰা ‘কাজিৰঙা ৰাষ্ট্ৰীয় অৰ্কিড আৰু জীৱবৈচিত্ৰ্য উদ্যান’খন চাবলৈ গৈ তেওঁৰ অভিজ্ঞতাৰ কথা মোক এইদৰে জনাইছিল ঃ “... উদ্যানখনৰ পৰিকল্পনা আৰু পৰিচালনাৰ ৰূপ দেখি সঁচাকৈয়ে মোহিত হ'লোঁ। তাত বিহুনৃত্য প্ৰদৰ্শন কৰিবলৈ গৈ ৰৈ থকা উৎসাহী দলটো আৰু চাবলৈ উদ্‌গ্ৰীৱ হৈ থকা দৰ্শকক দেখি, আৰু বিশেষকৈ অৰ্কিড, জীৱবৈচিত্ৰ্য আৰু পৰম্পৰা সংৰক্ষণৰ দিশবোৰ দেখি মোৰ বিজ্ঞান গাঁৱৰে সপোনৰ আংশিক ছবি দেখা যেন লাগিল। অখিলে যে এই দিশবোৰ মোৰ প্ৰকল্পৰ কথা শুনাৰ আগতে নিজে ভাবিছে আৰু কাৰ্যৰূপায়ণ কৰিছে সেই কথা বুজি পালোঁ।”

অখিল গগৈৰ বিজ্ঞান ভাবনাৰ মৌলিকতা তথা পৰিকল্পনা আৰু অসমৰ জীৱবৈচিত্ৰ্য আৰু পৰম্পৰাগত সাংস্কৃতিক বৈশিষ্ট্য সংৰক্ষণ তথা বিস্তাৰৰ প্ৰচেষ্টা সঁচাকৈয়ে প্ৰশংসনীয় আৰু আদৰ্শণীয়।

ৰাষ্ট্ৰসংঘই চলিত বছৰৰ বিশ্ব পৰিৱেশ দিৱসৰ মূল বিষয় ‘পৰিস্থিতিতন্ত্ৰৰ পুনৰুদ্ধাৰ’ (Ecosystem Restoration) ঘোষণা কৰাৰ লগতে ২০২১—২০৩০ চনৰ দশকটো ‘পুনৰানুভৱ, পুনৰসৃষ্টি, পুনৰুদ্ধাৰ’ৰ (Rimagine, Recreate, Restore) দশক হিচাপে পালন কৰি পৃথিৱীখন পুনৰুজ্জীৱিত কৰিবলৈ বিশ্ববাসীক আহ্বান জনাইছে। এনে উদ্দেশ্য সাধনত ‘কাজিৰঙা ৰাষ্ট্ৰীয় অৰ্কিড আৰু জীৱবৈচিত্ৰ্য উদ্যান’ৰ লেখীয়া পৰিস্থিতিতন্ত্ৰ সংৰক্ষণৰ সামগ্ৰিক উদ্দেশ্যনিহিত প্ৰকল্পবোৰ আৰ্হি হ'ব বুলি আমি আশা কৰিব পাৰোঁ।

ঠিকনা ঃ বিশ্বনাথ চাৰিআলি, ফোন ঃ ৯৪৩৫১৮৩৮৮৮





*অৰ্কিড উদ্যানত বিদেশী পৰ্যটকৰ সৈতে অখিল গগৈ*